# অসম আদিত্য

০ আহাৰ, ১৯৪৫ শক ■ সোমবাৰ, ২৬ জুন, ২০২৩ ■ Asom Aditya, Dibrugarh, Monday, June 26, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


## ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক 'অসম গৌৰৱ' বঁটা




**ডিব্ৰুগড়, ২৫ জুন ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড০ শশীকান্ত শইকীয়াক গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ২০ জুনত 'অসম গৌৰৱ' বঁটা প্ৰদান কৰা হয়। অসমৰ অন্যতম চৰকাৰী পঞ্জীয়নভুক্ত সংগঠন 'ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেশ্যন'ৰ উদ্যোগত সমাজ, শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাগ্মীবৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা ৰাজ্যিক ভিত্তিক ৰাভা দিৱসত এই সন্মান প্ৰদান কৰা হয়। সংগঠনৰ সভাপতি প্ৰদীপ ভট্টাচাৰ্য আৰু সম্পাদক মোহন দত্তৰ উপস্থিতিত অসমৰ জাতীয় সংগীতৰ অন্যতম গৱেষক ৰাজীৱ হৰি কৌশিক, বাণী ফুকনকে ধৰি অনেক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত বঁটা প্ৰদান অনুষ্ঠানত সম্পাদক মোহন দত্তই কয়— অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই নিৰন্তৰে সমাজৰ সৰ্বতোপ্ৰকাৰ মংগলৰ বাবে কাম কৰি আহিছে। এই কৰ্মৰ স্বীকৃতি হিচাপে তেখেতক এই সন্মান দিবলৈ পাই আমি অশেষ ধন্য হৈছোঁ। উল্লেখ্য যে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক অসমৰ বিভিন্ন দল-সংগঠনে অনেক সন্মান, বঁটা প্ৰদান কৰি অহাৰ লগতে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ হাতেৰে 'কৰ্মসূৰ্য বঁটা' প্ৰদান কৰিছিল। যোৱা ৪ জুনত নতুন দিল্লীত ভাৰত চৰকাৰৰ অনুমোদিত সংগঠন 'ৱৰ্ল্ড হিউমেন ৰাইটছ প্ৰটেকশ্যন'ৰ উদ্যোগত অনুষ্ঠিত হোৱা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শৈক্ষিক ক্ষেত্ৰখনত ব্যতিক্ৰমী ৰূপত দিয়া নেতৃত্বৰ বাবে অধ্যক্ষগৰাকীক 'এম্বেচাদৰ'ৰূপে প্ৰমাণ-পত্ৰ প্ৰদান কৰে। অধ্যক্ষগৰাকীয়ে বিভিন্ন সময়ত কঢ়িয়াই অনা সন্মান, সম্বৰ্ধনা, বঁটাৰ বাবে কানৈ মহাবিদ্যালয়ৰ পৰিয়াল উৎফুল্লিত হৈ পৰিছে।